# জীৱ আৰু ইয়াৰ চৌপাশৰ বাতাবৰণ

## পাঠ: ৯

## পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন : – ১) বসতিস্থল কি ?

**উত্তৰঃ –** প্ৰাণী বসবাস কৰা স্থানকে বসতিস্থল বোলা হয় । জীৱই বসতিস্থলত আহাৰ , পানী , বায়ু , আশ্ৰয়স্থল আৰু অন্যান্য প্ৰয়োজনীয় বস্তু হিচাপে ।

প্ৰশ্ন : – ২) মৰুভূমিত কেকটাছ কেনেদৰে অভিযোজন কৰে ?

**উত্তৰঃ –** কেকটাছৰ পাত নথকা বাবে প্ৰচ্ছেদন নহয় । কাণ্ডত সালোক সংশ্লেষণ ঘটে আৰু ই পানী জমা কৰি ৰাখে । কেকটাছৰ শিপা পানী শোষণ কৰাৰ বাবে বহু তললৈ যায় । এনেদৰে মৰুভূমিত কেকটাছ জীয়াই থাকে ।

প্ৰশ্ন : – ৩) তলৰ খালী ঠাইবোৰ পূৰ কৰা :

ক) যিবিলাক বিশেষ ধৰণৰ লক্ষণৰ উপস্থিতিয়ে উদ্ভিদ অথবা প্ৰাণীক কোনো এটা আবাসস্থলীত বাচি থাকিবলৈ উপযুক্ত কৰি তোলে , তাক — বোলে ।

**উত্তৰঃ –** যিবিলাক বিশেষ ধৰণৰ লক্ষণৰ উপস্থিতিয়ে উদ্ভিদ অথবা প্ৰাণীক কোনো এটা আবাসস্থলীত বাচি থাকিবলৈ উপযুক্ত কৰি তোলে , তাক অভিযোজন বোলে ।

খ) উদ্ভিদ আৰু প্ৰাণীৰ স্থলভাগৰ আবাসস্থলীক — আবাসস্থলী বোলে ।

**উত্তৰঃ –** উদ্ভিদ আৰু প্ৰাণীৰ স্থলভাগৰ আবাসস্থলীক স্থলজ আবাসস্থলী বোলে ।

গ) পানীত বাস কৰা উদ্ভিদ আৰু প্ৰাণীক আবাসস্থলীক — আবাসস্থলী বোলে ।

**উত্তৰঃ –** পানীত বাস কৰা উদ্ভিদ আৰু প্ৰাণীক আবাসস্থলীক জলজ আবাসস্থলী বোলে ।

ঘ) মাটি , পানী , আৰু বায়ু আবাসস্থলীৰ — কাষৰ ।

**উত্তৰঃ –** মাটি , পানী , আৰু বায়ু আবাসস্থলীৰ বায়বীয় কাষৰ ।

ঙ) চৌপাশৰ পৰিৱৰ্তনৰ প্ৰতি সঁহাৰি জনোৱাটোক — বোলে ।

**উত্তৰঃ –** চৌপাশৰ পৰিৱৰ্তনৰ প্ৰতি সঁহাৰি জনোৱাটোক উদ্দীপনা বোলে ।

প্ৰশ্ন : – ৪) তলৰ তালিকাৰ কোনবোৰ জড় পদাৰ্থ ?

নাঙল , কাঠফুলা , চিলাই মেচিন , ৰেডিঅ' , নাও , পানী মেটেকা , কেঁচু ।

**উত্তৰঃ –** জড় : নাঙল , চিলাই মেচিন , ৰেডিঅ' , নাও ।

প্ৰশ্ন : – ৫) জীৱৰ যিকোনো দুটা বৈশিষ্ট্য দেখুওৱা এবিধ জড় পদাৰ্থৰ নাম লিখা ।

**উত্তৰঃ –** ডাৱৰ । ডাৱৰ বৃদ্ধি হয় আৰু ই লৰচৰ কৰে ।

প্ৰশ্ন : – ৬) তলৰ তালিকাৰ কোনবোৰ জড় পদাৰ্থ এটা সময়ত জীৱিত আছিল ?

মাখন , চামৰা , মাটি , ঊণ , বৈদ্যুতিক বালব , ৰন্ধন তেল , নিমখ , আপেল , ৰবৰ ।

**উত্তৰঃ –** মাখন , চামৰা , ঊণ , ৰন্ধন তেল , আপেল আৰু ৰবৰ এটা সময়ত জীৱিত বস্তুৰ অংশ আছিল ।

প্ৰশ্ন : – ৭) জীৱৰ সাধাৰণ বৈশিষ্ট্য সমূহ তালিকা ভূক্ত কৰা ।

**উত্তৰঃ –** জীৱৰ সাধাৰণ বৈশিষ্ট্য সমূহ হৈছে —১) বৃদ্ধি ২) চলন ৩) প্ৰজনন ৪) শ্বসন ৫) প্ৰতিক্ৰিয়া শীল ৬) মলত্যাগ ।

প্ৰশ্ন : – ৮) তৃণভূমিত বাস কৰা প্ৰাণীবিলাক বাচি থকাৰ কাৰণে গতি বৰ প্ৰয়োজনীয় কিয় ব্যাখ্যা কৰা ।

**উত্তৰঃ –** তৃণভূমিত গছ – গছনিৰ সংখ্যা তাকৰ হোৱাৰ বাবে প্ৰাণীয়ে লুকাব নোৱাৰে । যেতিয়া শত্ৰুৱে আক্ৰমণ কৰে সেই সময়ত দ্ৰুততৰে দৌৰিব লগীয়া হয় । যদি প্ৰাণীবোৰে দৌৰিব নোৱাৰে তেন্তে সিহঁতৰ মৃত্যু আহে । সেয়ে তৃণভূমিত বাস কৰা প্ৰাণীবিলাকৰ বাবে গতি অতি প্ৰয়োজনীয় হয় ।